অধ্যায় ৮ঃ ভাৰতবৰ্ষত প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ- কাৰ্য্যপালিকাৰ নিয়ন্ত্ৰণ, সংসদীয় নিয়ন্ত্ৰণ আৰু ন্যায়িক নিয়ন্ত্ৰণ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ ভাৰতবৰ্ষত কাৰ্যপালিকাৰ নিয়ন্ত্ৰণ পদ্ধতি
৮.৪ ভাৰতবৰ্ষত সংসদীয় নিয়ন্ত্ৰণ পদ্ধতি
৮.৫ ভাৰতবৰ্ষত ন্যায়িক নিয়ন্ত্ৰণ পদ্ধতি
৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৭ অধিক জানিবলৈ
৮.৮ অগ্ৰগতিৰ খতিয়ানৰ উত্তৰ
৮.৯ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতবৰ্ষত প্ৰশাসনিক নিয়ন্ত্ৰণৰ পদ্ধতি সমূহৰ লগতে কাৰ্যপালিকা, সংসদীয় আৰু ন্যায়িক নিয়ন্ত্ৰণ আলোচনা কৰিব পাৰিব
- ভাৰতবৰ্ষত প্ৰশাসনৰ ওপৰত কাৰ্যপালিকা নিয়ন্ত্ৰণৰ বিভিন্ন পদ্ধতি সমূহৰ ব্যাখ্যা কৰিব পাৰিব
- ভাৰতবৰ্ষত প্ৰশাসনৰ ওপৰত সংসদীয় নিয়ন্ত্ৰণৰ ওপৰত বিভিন্ন পদ্ধতি সমূহৰ ব্যাখ্যা কৰিব পাৰিব
- ভাৰতবৰ্ষত প্ৰশাসনৰ ওপৰত ন্যায়িক নিয়ন্ত্ৰণৰ বিভিন্ন পদ্ধতিসমূহৰ ব্যাখ্যা কৰিব পাৰিব।

৮.২ পৰিচয়

Dr. White ৰ ভাষাত প্ৰশাসনীয় দায়বদ্ধতা হৈছে "কিছুমান সাংবিধানিক, বিধিগত, প্ৰশাসনক ন্যায়িক নীতি নিয়ম, পূৰ্ব্ব দৃষ্টান্ট (precedents) আৰু প্ৰতিষ্ঠিত কাৰ্য পদ্ধতিৰ সমষ্টি যিয়ে চৰকাৰী বিষয়াসকলক তেওঁলোকৰ চৰকাৰী কাৰ্যৰ বাবে দায়বদ্ধ কৰি ৰাখে।" দায়বদ্ধতাৰ অৰ্থ হৈছে চৰকাৰী বিষয়াই জনসাধাৰণৰ স্বাৰ্থৰ প্ৰতি প্ৰদৰ্শন কৰা দায়িত্ববোধ। দায়বদ্ধতা হৈছে আত্মিক (subjective) বা অৰ্ন্তমুখী দিশ, এক সাংবিধানিক বা গণতান্ত্ৰিক চৰকাৰ ব্যৱস্থাত ব্যক্তিগত দায়বদ্ধতা যদিওবা গুৰুত্বপূৰ্ণ তথাপিতো প্ৰশাসনিয় দায়বদ্ধতা নিৰ্দ্ধপনৰ একমাত্ৰ চৰ্ত হ'ব নোৱাৰে।

জনসাধাৰণৰ ৰাজনৈতিক অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক জীৱনত চৰকাৰী বিষয়াসকলৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয়। বৰ্তমান চৰকাৰী বিষয়াসকল চৰকাৰী নীতিৰ কেৱল বিনম্ৰ কাৰ্য্যকৰ্তাই নহয় বাটকতীয়াও আৰু নিৰ্ধাৰকো। গতিকে প্ৰশাসনীয় দায়বদ্ধতাৰ কৌশলে অসামৰিক বিষয়াৰ স্বেচ্ছাধীনত হস্তক্ষেপ নকৰাকৈ ব্যক্তিৰ মৌলিক স্বাধীনতা সুৰক্ষিত কৰে। ইয়াৰ উদ্দেশ্যসমূহ দুই ধৰণৰ —

(ক) ব্যক্তি স্বাধীনতাৰ সম্পূৰ্ণ সুৰক্ষা দিব লাগে

(খ) প্ৰশাসকৰ নিয়মীয়া কাৰ্য্যকলাপৰ ওপৰত কোনো বাধা বা প্ৰতিবন্ধকতা আৰোপ কৰিব নালাগে। প্ৰশাসনীয় দায়বদ্ধ ব্যৱস্থাৰ ফলপ্ৰসুতা এই মাপকাঠিৰ জৰিয়তে বিচাৰ কৰা হয়।

৮.৩ ভাৰতবৰ্ষত কাৰ্য্যপালিকাৰ নিয়ন্ত্ৰণ পদ্ধতি

সংসদীয় গণতন্ত্ৰত মন্ত্ৰীসকলৰ দায়বদ্ধতা এক মুখ্য নীতি। এই ব্যৱস্থাত মন্ত্ৰীসকল সমূহীয়াভাৱে আৰু ব্যক্তিগতভাৱে সকলো বিভাগীয় কাৰ্য্যকলাপৰ বাবে বিধানগুলৰ ওচৰত দায়বদ্ধ। মন্ত্ৰীসভা নাইবা মন্ত্ৰীপৰিষদ সমূহীয়াভাৱে প্ৰশাসনৰ সম্পূৰ্ণ দায়িত্বত থাকে আৰু প্ৰত্যেকজন মন্ত্ৰীয়ে ব্যক্তিগতভাৱে এটা বা ততোধিক বিভাগৰ দায়িত্বত থাকে। প্ৰশাসনৰ সকলো কাৰ্য কিছুমান মন্ত্ৰীৰ নিয়ন্ত্ৰণাধীন। মন্ত্ৰীসকলে তেওঁলোকৰ মন্ত্ৰণালয়ৰ বা বিভাগৰ সম্পূৰ্ণ দায়িত্বত থাকে আৰু তেওঁলোকে সচিব অসামৰিক সেৱাৰ এজন উচ্চপদস্থ বিষয়া বা বৰ্ডৰ সহায়ত পৰিচালনা কৰে।

প্ৰশাসনৰ ওপৰত কাৰ্য্যপালিকাৰ নিয়ন্ত্ৰণৰ পদ্ধতিসমূহ তলত আলোচনা কৰা হয় —

- **ৰাজনৈতিক নিয়ন্ত্ৰণ** ঃ- শাসনাধিষ্ঠ দলটোৰ নেতা সকলকলৈ মন্ত্ৰীসভা গঠিত হয় আৰু তেওঁলোক নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত দায়বদ্ধশীল। মন্ত্ৰীসভাই প্ৰশাসনক নিৰ্দেশনা জাৰি কৰে আৰু প্ৰশাসনৰ বিভিন্ন বিভাগৰ মাজত সমন্বয় আৰু নিয়ন্ত্ৰণ কাৰ্যকৰী কৰে। ই প্ৰশাসনক নেতৃত্ব প্ৰদান কৰে। কাৰ্য্যপালিকা নিয়ন্ত্ৰণ হৈছে উদ্যমশীল, দিগদৰ্শক আৰু নিৰ্দেশক শক্তি।
- **বাজেট ব্যৱস্থা** ঃ- বাজেট ব্যৱস্থাই সম্পূৰ্ণ বিত্তীয় আৰু বিভাগীয় সম্পদসমূহ নিৰ্দ্ধাৰণ কৰে যাতে কোনো বিভাগে অতিৰিক্ত খৰচ কৰিব নোৱাৰে। ইয়াৰ জৰিয়তে কাৰ্য্যপালিকাক দক্ষতাৰে বাজেট প্ৰস্তুত, সম্পদ আহৰণ আৰু লক্ষ্য নিষ্পত্তি ক্ষমতা প্ৰদান কৰিছে। যদি বাজেট পদ্ধতি ফলোৎপাদক হয় তেন্তে কোনো বিষয়াই কাৰ্য্যপালিকাৰ নিয়ন্ত্ৰণৰ পৰা সাৰিব নোৱাৰে। সেয়ে সকলো আচঁনি সংস্থা স ক্রিয় আৰু নিৰন্তৰভাৱে কাৰ্য্যপালিকাৰ নিয়ন্ত্ৰণধীন।
- **প্ৰৱেশ পদ্ধতি** ঃ- ই কাৰ্য্যপালিকা নিয়ন্ত্ৰণৰ আন এটা অন্যতম পদ্ধতি। সাধাৰণতে

অসামৰিক সেৱাৰ বাবে নিযুক্তি এক স্বতন্ত্ৰ নিয়োগ সংস্থাৰ হাতত দিয়া হয় অ া ৰ ং নিযুক্তিৰ ক্ষেত্ৰত প্ৰয়োজনীয় হোৱা সাধাৰণ নিয়মসমূহ যেনে অৰ্হতা, অভিজ্ঞতা বয়স ইত্যাদি চৰকাৰৰ দ্বাৰা নিৰ্ধাৰিত হয়। অসামৰিক সেৱাৰ উচ্চ পদৰ ক্ষেত্ৰত কাৰ্য্যপালিকাৰ নিজ কাৰ্য্যৰ ক্ষেত্ৰত স্বাধীন। মন্ত্ৰীসকলে নিজৰ বাচনি মতে বিভাগীয় সচিব আৰু বিভাগীয় মূৰব্বী আদিক নিয়োগ কৰে। মন্ত্ৰীসকলে নিয়োগৰ জৰিয়তে বিভাগীয় প্ৰশাসনক সম্পূৰ্ণ নিয়ন্ত্ৰণৰ সুবিধা লাভ কৰে।

- **কাৰ্য্যপালিকাৰ আইন প্ৰস্তুত ঃ**- কাৰ্য্যপালিকাই উপ বিধি (Sub- legislation) প্ৰণয়নত গুৰুত্বপূৰ্ণ ক্ষমতা লাভ কৰিছে। বিধানমণ্ডলত পাছ হোৱা বিভিন্ন আইনসমূহৰ প্ৰকৃতি কঙ্কালৰ (skeletal) দৰে আৰু এই আইনসমূহক প্ৰকৃত ৰূপ দিয়াৰ ক্ষমতা কাৰ্য্যপালিকাৰ হাতত। ভাৰতবৰ্ষত কাৰ্য্যপালিকাৰ অধ্যাদেশ পাছ কৰা ক্ষমতা লাভ কৰিছে, যিয়ে এখন আইনৰ কতৃত্ব আৰু ক্ষমতা এক নিৰ্দিষ্ট সময়লৈকে প্ৰযোজ্য হৈ থাকে। এনে ধৰণৰ অধ্যাদেশ সংসদ নাইবা বিধানমণ্ডলৰ অনুপস্থিতিৰ সময়ত উদ্ভৱ হোৱা যিকোনো পৰিস্থিতিৰ তাৎক্ষণিক মোকাবিলা কৰিবৰ বাবে মুখ্যকাৰ্য্যপালিকাই জাৰি কৰিব পাৰে। যদিহে সংসদে (আগতীয়াকৈ) নিৰ্দিষ্ট সময়ৰ আগতে বাতিল নকৰে তেন্তে ইয়াৰ সৰ্বোচ্চ সময়সীমা ৬ মাহ আৰু ৬ সপ্তাহলৈ বৰ্তি থাকিব। কি পৰিস্থিতিত অধ্যাদেশ জাৰি কৰা হ'ল। তাক নিৰ্দ্ধাৰণ কৰাৰ সম্পূৰ্ণ ক্ষমতা ৰাষ্ট্ৰপতি আৰু ৰাজ্যপালৰ হাতত। এনে কাৰ্য্যৰ যুক্তিযুক্ততা সম্পৰ্কত ন্যায়ালয়ে কোনো প্ৰশ্নৰ অৱতাৰণা কৰিব নোৱাৰব। কাৰ্য্যপালিকাৰ নিয়ন্ত্ৰণে প্ৰশাসনীয় কাৰ্য্যাৱলীক এক ধনাত্মক আৰু নিৰবিচ্ছিন্ন নিৰ্দেশক প্ৰদান কৰে আৰু এনেদৰে ই কৰ্মৰ বাস্তৱ মানদণ্ড প্ৰতিষ্ঠা কৰে। ইয়াৰ উপৰিও কাৰ্য্যপালিকাৰ নিয়ন্ত্ৰণে প্ৰশাসনক সদায় সতৰ্ক কৰি ৰাখে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ কাৰ্য্যপালিকা নিয়ন্ত্ৰণৰ এক আহিলা হিচাপে প্ৰশাসনৰ ওপৰত ৰাজনৈতিক নিয়ন্ত্ৰণ সম্পৰ্কে লিখক।

.....

.....

৮.৪ ভাৰতবৰ্ষত সংসদীয় নিয়ন্ত্ৰণৰ পদ্ধতি

ভাৰতবৰ্ষ আৰু গ্ৰেট বৃটেইনৰ সংসদীয় চৰকাৰ ব্যৱস্থা প্ৰধানকৈ সমূহীয়া দায়িত্বশীল/ দায়বদ্ধতা নীতিৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ দ্বাৰা মন্ত্ৰীসকল তেওঁলোকৰ ক্ষমতা আৰু কাৰ্য্যৰ বাবে সংসদৰ ওচৰত দায়বদ্ধ। গতিকে প্ৰশাসনত সংসদীয় নিয়ন্ত্ৰণ পৰোক্ষভাৱে মন্ত্ৰীসকলৰ

দ্বাৰা হয়। বিষয়াসকলক পোনপটীয়া ভাৱে সংসদৰ ওচৰত দায়বদ্ধ কৰিব নোৱাৰি। তেওঁলোকে মন্ত্ৰীসকলৰ দায়বদ্ধতা নীতিৰ ওচৰত আশ্ৰয় গ্ৰহণ কৰে। অন্য অৰ্থত মন্ত্ৰণালয়ৰ অধীনৰ প্ৰশাসনিক কাৰ্য্যৰ বাবে বিভাগীয় মন্ত্ৰীসকল দায়বদ্ধ। নিম্নোক্ত পদ্ধতি সমূহৰ/আহিলাসমূহৰ জৰিয়তে সংসদীয় ব্যৱস্থাত বিধায়িনী নিয়ন্ত্ৰণ কৰা হয় —

- **আইন প্ৰণয়ন** ঃ- এইটো হৈছে সংসদৰ প্ৰাথমিক কাৰ্য্যাৱলী। সংসদে আইন প্ৰস্তুত কৰি চৰকাৰী নীতি সমূহ প্ৰস্তুত নাইবা সলনি নাইবা বাতিল কৰিব পাৰে। সংসদীয় আইনে প্ৰশাসনিক সংগঠনৰ চৰ্ত, গঠন, ক্ষমতা, কাৰ্য্যাৱলী আৰু পদ্ধতি নিৰ্ধাৰণ কৰে। অৱশ্যে আইন প্ৰণয়ন প্ৰক্ৰিয়াৰ জৰিয়তে সংসদে কৰা নিয়ন্ত্ৰণ বিস্তৃত আৰু সাধাৰণ অৰ্থত হয়। সংসদে আইনৰ জঁকাটোহে (skeleton) প্ৰস্তুত কৰে আৰু তাক বিস্তৃত নীতি-নিয়ম প্ৰস্তুতকৰণৰ জৰিয়তে মূল আইন (parent law) ৰ গণ্ডীৰ ভিতৰত সম্পূৰ্ণ ৰূপ দিয়াৰ কতৃত্ব কাৰ্য্যপালিকাৰ। ইয়াক 'প্ৰতিনিধিত্বমূলক আইন' (Delegated legislation) বা কাৰ্য্যপালিকা আইন' (Executive legislation) বুলি জনা যায়।
- **অনুমোদনত** (*Appropriation*) **নিয়ন্ত্ৰণ** ঃ- সংসদীয়/বিধানমণ্ডলৰ দ্বাৰা প্ৰশাসনিক নিয়ন্ত্ৰণৰ এটা উপযুক্ত ব্যৱস্থা হ'ল অনুমোদন ব্যৱস্থা। আধুনিক গণতান্ত্ৰিক চৰকাৰত বিধানমণ্ডলৰ অনুমোদন অবিহনে চৰকাৰে কোনো ধন খৰচ কৰিব নোৱাৰে। বিধানমণ্ডলে চৰকাৰী ধন ভৰাঁলৰ চাবিকাঠী নিয়ন্ত্ৰণ কৰি প্ৰশাসনিক কাম কাজ নিয়ন্ত্ৰিত কৰে। তথাপি, সংসদীয় গণতন্ত্ৰত সদনত কাৰ্য্যপালিকাৰ সংখ্যাগৰিষ্ঠতা থকালৈকে কাৰ্য্যপালিকাৰ অনুদান সম্পৰ্কীয় অনুৰোধ প্ৰত্যাখান কৰিব নোৱাৰে।
- **হিচাপ পৰীক্ষা আৰু প্ৰতিবেদন** ঃ- বিধানমণ্ডলে হিচাপ পৰীক্ষা আৰু প্ৰতিবেদন আহিলাৰ জৰিয়তেও প্ৰশাসন নিয়ন্ত্ৰণ কৰে। সংবিধানে এজন মহানিৰীক্ষকৰ বিধান কৰিছে আৰু তেওঁ চৰকাৰৰ সকলো বাৰ্ষিক হিচাপ পৰীক্ষা কৰে আৰু লগতে চৰকাৰৰ সকলো বিত্তীয় লেনদেনৰ প্ৰতিবেদন বিধানমণ্ডলত দাখিল কৰে। বিধানমণ্ডলে বিশেষজ্ঞসকলৰ এক সমিতি নিয়োগ কৰে, তেওঁলোকৰ মাজৰ পৰা সদস্য নিয়োগ কৰি চৰকাৰী হিচাপ (Public Accounts Committee) গঠন কৰে যিয়ে সম্পূৰ্ণৰূপে প্ৰতিবেদন পৰীক্ষা কৰে আৰু সময়ে সময়ে চৰকাৰৰ বিভিন্ন বিভাগৰ বিত্তীয় লেনদেনৰ প্ৰতিবেদন পুনৰীক্ষন কৰে। ইয়াৰ পিছত প্ৰতিবেদনৰ প্ৰতিলিপি বিধানমণ্ডললৈ উভতাই পঠিয়াই আৰু বিধানমণ্ডলে হিচাপ পৰীক্ষকৰ প্ৰতিবেদন সমিতিৰ পৰিণতি সমূহৰ সৈতে আলোচনা কৰে।
- **প্ৰশ্নোত্তৰ কাল** (*Question hour*) ঃ- সংসদীয় ব্যৱস্থাৰ/অধিৱেশনৰ আৰম্ভণিৰ এঘণ্টা সময় 'প্ৰশ্নোত্তৰ' কাল বুলি জনা যায়। এই সময়ছোৱাত সংসদৰ সদস্যই প্ৰশ্ন সোধে আৰু মন্ত্ৰীসকলে উত্তৰ দিয়ে। সংসদীয় প্ৰশ্নসমূহ তিনি প্ৰকাৰৰ — ষ্টেয়াৰড (তাৰাংকিত প্ৰশ্ন) (Starred Question), আনষ্টেয়াৰড (অতাৰাংকিত প্ৰশ্ন) (Unstarred Question) আৰু চমু জাননী প্ৰশ্ন (Short notice question)। ষ্টেয়াৰড প্ৰশ্নসমূহ

(তাৰাংকিত প্ৰশ্ন) (Starred Question) তৰাচিন (*) ৰ দ্বাৰা চিহ্নিত কৰা থাকে। সাধাৰনতে এই প্ৰশ্নবোৰ প্ৰতিদিনে মৌখিক ভাৱে সোধা হয় আৰু প্ৰতিটো প্ৰশ্নৰ উত্তৰ (মৌখিক ভাৱে দিয়াৰ) পিছত পৰিপূৰক প্ৰশ্ন সুধিব পাৰি। অন্যহাতে আনষ্টেয়াৰড প্ৰশ্নসমূহ (অতাৰাংকিত প্ৰশ্ন) (Unstarred Question) তৰাচিন (*) ৰ দ্বাৰা চিহ্নিত কৰা নহয়। ইয়াত লিখিতভাৱে উত্তৰ দিবলগীয়া হয় আৰু সেয়েহে ইয়াত কোনো পৰিপূৰক প্ৰশ্ন কৰিব নোৱাৰে। চমু জাননী প্ৰশ্ন (Short notice question) এনে এক ব্যৱস্থা যাৰ দ্বাৰা দহ (১০) দিনৰ ভিতৰত জাননী জাৰি কৰি প্ৰশ্ন সোধা হয়। ইয়াত উত্তৰসমূহ মৌখিকভাৱে দিয়া হয়।

- **শূন্যকালীন ঘণ্টা** (*Zero Hour*) ঃ- প্ৰশ্নোত্তৰ কালৰ দৰে প্ৰক্ৰিয়া নীতিত (Rules of Procedure) শূন্যকালীন ঘণ্টাৰ বিষয়ে উল্লেখ কৰা নাই। গতিকে এইটো এটা অনানুষ্ঠানিক আহিলা য'ত সংসদৰ সদস্যসকলে কোনো আগজাননী নিদিয়াকৈ বিষয়বস্তু উত্থাপন কৰিব পাৰে। শূন্যকালীন সময় প্ৰশ্নোত্তৰ কালৰ পিছতে আৰু আলোচনা আৰম্ভ হোৱাৰ আগেয়ে শেষ হয়। প্ৰশ্নত্তোৰ কাল আৰু আলোচনাৰ সময়ৰ মাজৰ ব্যৱধানক শূন্যকালীন ঘণ্টা বুলি কয়।
- **আধা ঘণ্টাৰ আলোচনা** (*Half an hour Discussion*) ঃ- ইয়াত জনসাধাৰণৰ স্বাৰ্থৰ নিমিত্তে গুৰুত্বপূৰ্ণ বিষয়সমূহ যিবিলাকৰ যথেষ্ট বিতৰ্কৰ আৰু প্ৰশ্ন অৱতাৰণাৰ প্ৰয়োজনীয়তা আছে সেইসমূহ আলোচনা কৰা হয়। ইয়াত কোনো আনুষ্ঠানিক প্ৰস্তাৱ বা সদনৰ আগত ভোটগ্ৰহণ নহয়।
- **সংক্ষিপ্ত জাননীৰ ওপৰত আলোচনা** (*Short Notice Discussion*) ঃ- জনসাধাৰণৰ বাবে অতিকে গুৰুত্বপূৰ্ণ বিষয়সমূহ সংসদৰ সদস্য সকলে দহ (১০) দিনতকৈও কম সময়ৰ ভিতৰত জাননী জাৰি কৰি প্ৰশ্ন উত্থাপন কৰিব পাৰে। অধ্যক্ষই এনেধৰণৰ আলোচনাৰ বাবে সপ্তাহত দুদিন (২) ৰ বাবে অনুমতি দিব পাৰে। ইয়াত কোনো ধৰণৰ আনুষ্ঠানিক প্ৰস্তাৱ নাইবা ভোটগ্ৰহণ নহয়।
- **অন্যান্য আলোচনা** ঃ- ওপৰক্ত আলোচনাসমূহৰ লগতে অন্যান্য কিছুমান কাৰ্য্য ব্যৱস্থাৰ যোগেদি সংসদৰ সদস্যসকলে আলোচনা দাবী উত্থাপন কৰিব পাৰে, বিতৰ্ক পৰীক্ষাৰ লগতে প্ৰশাসনৰ দূৰ্বলতা সমূহ আৰু বিফলতাৰ বাবে আলোচনা কৰিব পাৰে। এইসমূহ হ'ল —
  - (ক) ৰাষ্ট্ৰপতিৰ আদৰণি ভাষণ
  - (খ) আইন প্ৰণয়নৰ বাবে কিছুমান বিধেয়কৰ উত্থাপন
  - (গ) জনস্বাৰ্থৰক্ষী বিষয়ৰ ওপৰত প্ৰস্তাৱ গ্ৰহণ
- **আশ্বাস সম্পৰ্কীয় সমিতি** (*Committee on Assurances*) ঃ- বিতৰ্ক আৰু আলোচনাৰ সমূহত সদস্যসকলে সদনত সোধা প্ৰশ্নৰ উত্তৰত চৰকাৰে কিছুমান আশ্বাস আৰু প্ৰতিশ্ৰুতি দিয়ে। এই আশ্বাসসমূহ সময়মতে সদনত উল্লেখিত ধৰণে ভালদৰে কাৰ্যকৰী

কৰা হৈছে নে নাই সেই বিষয়ে দৃষ্টি ৰখাটো সদনৰ কৰ্তব্য আৰু এই উদ্দেশ্যেই আশ্বাস সম্পৰ্কীয় সমিতি গঠন কৰা হৈছে। কমিটিয়ে সময়ে সময়ে এনেবোৰ বিষয় সংক্ৰান্তত সদনত প্ৰতিবেদন দাখিল কৰিব লাগে। আশ্বাস সম্পৰ্কীয় সমিতিৰ স্থাপনে প্ৰশাসনৰ ওপৰত সংসদীয় নিয়ন্ত্ৰণ শক্তিশালী কৰিছে।

- **বিধানমণ্ডলৰ অন্যান্য সমিতি ঃ-** যিহেতু সংসদীয় অধিৱেশন নিৰ্দ্ধাৰিত সময়ৰ ব্যৱধানত অনুষ্ঠিত হয় সেয়েহে প্ৰশাসনৰ কাম-কাজৰ ওপৰত ক্ষিপ্ৰ আৰু তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ সদস্য সকলোক লৈ কিছুমান সমিতি গঠন কৰা হৈছে। এই সমিতি সমূহ হ'ল — আনুমানিক ব্যায় কমিটি (Estimates Committee), চৰকাৰী হিচাপ কমিটি (Public Accounts Committee), চাবোর্ডিনেট্ লেজিচ্লেচন কমিটি (Committee on Subordinate Legislation), পেটিশ্বন কমিটি (Petitions Committee)।
- **মনোযোগ আকর্ষন জননী (*Calling Attention*)ঃ-** এইখন সংসদৰ দ্বাৰা প্ৰস্তুত কৰা জননী যাৰ জৰিয়তে মন্ত্ৰীসকলোক জনস্বাৰ্থ জড়িত গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত মনোনিৱেশ কৰিবলৈ আৰু তেনে বিষয়ৰ ওপৰত কৰ্তৃত্বমূলক মন্তব্য (Authoritative Statement) দিবলৈ কোৱা হয়।
- **সভাস্থগিত প্ৰস্তাৱ (*Adjournment Motion*) ঃ-** অতি জৰুৰী বা গুৰুত্বপূৰ্ণ বিষয়ত সদনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ এই আহিলাক সংসদত প্ৰৱৰ্তন কৰা হয়। প্ৰস্তাৱৰ বাবে ৫০ জন সদস্যৰ সমৰ্থন লাগে। যদি প্ৰস্তাৱক সন্মতি দিয়া হয় তেন্তে সদনৰ দৈনন্দিন কাম কাজ স্থগিত ৰখা হয়। ইয়াৰ দ্বাৰা চৰকাৰক নিন্দা কৰা হয়, সেয়ে ৰাজ্যসভাত এই আহিলা ব্যৱহাৰৰ অনুমতি দিয়া নহয়। সেয়েহে এনেধৰণৰ কাৰ্য্য ব্যৱস্থাৰ যোগেদি প্ৰশাসনে বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ হৈ থাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ২ ঃ সংসদীয় নিয়ন্ত্ৰণ ব্যৱস্থাৰ আহিলা হিচাপে সভা স্থাগিত প্ৰস্তাৱৰ বিষয়ে লিখক।

.....

.....

৮.৫ ভাৰতীয় প্ৰশাসনৰ ওপৰত ন্যায়িক নিয়ন্ত্ৰণ

বিধায়িনী আৰু কাৰ্য্যপালিকা নিয়ন্ত্ৰণ ব্যৱস্থাৰ উদ্দেশ্য হ'ল প্ৰধানকৈ চৰকাৰী নীতি আৰু ব্যয়সমূহ নিয়ন্ত্ৰণ কৰা। প্ৰশাসনিক কাৰ্য্যৰ বৈধতা পৰীক্ষা, জনসাধাৰণৰ মৌলিক অধিকাৰ

আৰু অন্যান্য প্ৰয়োজনীয় অধিকাৰ ৰক্ষাৰ বাবে ন্যায়িক নিয়ন্ত্ৰণ কৰা হয়। বৰ্তমান সময়ত কাৰ্য্যপালিকাই জনসাধাৰণৰ ব্যক্তিগত অধিকাৰৰ অভিভাৱক হিচাপে ভুমিকা গ্ৰহণ কৰিছে। চৰকাৰী বিষয়াসকলৰ ক্ষমতা আৰু স্বেচ্ছাধীন কাৰ্য বৃদ্ধি হোৱাৰ লগে লগে ন্যায়পালিকৰা ভুমিকাও গুৰুত্বপূৰ্ণ হৈ পৰিছে।

চৰকাৰী বিষয়াই নিয়মাৱলী অতিক্ৰম কৰিলে দুই ধৰণৰ বিকল্প বিধায়িনী সমাধান আছে — প্ৰথমতে, আইনৰ শাসন ব্যৱস্থা আৰু আনটো প্ৰশাসনীক আইন ব্যৱস্থা। ভাৰতবৰ্ষত আইনৰ শাসন ব্যৱস্থা অনুসৰণ কৰা হয়।

আইনৰ শাসন ব্যৱস্থাৰ অধীনত আইনগত প্ৰতিকাৰ আইনৰ শাসন তত্বৰ অৰ্থ হ'ল উচ্চ বা নিম্ন চৰকাৰী বা বেচৰকাৰী সকলো নাগৰিকে একে আইনৰ অধীন আৰু কোনো চৰকাৰী বিষয়াই ৰাষ্ট্ৰ সাৰ্বভৌমত্বৰ উৰ্দ্ধত গৈ চৰকাৰী ক্ষমতা অপপ্ৰয়োগ কৰিব নোৱাৰে। স্বাভাৱিকতে, উৎপীড়ণৰ সন্মুখীন হোৱা পক্ষই (যি নাগৰিকৰ অধিকাৰবোৰ ভংগ হৈছে) বিৰক্ত কৰা বিষয়াৰ (offending official) পৰা ৰক্ষা পাবৰ বাবে প্ৰচলিত সকলো ধৰণৰ আইনী প্ৰতিকাৰৰ উপভোগ কৰিব পাৰিব। ভাৰতবৰ্ষত উচ্চতম ন্যায়ালয়ে ৩২ নং অনুচ্ছেদৰ জৰিয়তে নিৰ্দেশনা জাৰি নাইবা আদেশ নাইবা লেখ জাৰি কৰাৰ ক্ষমতা পাইছে, যাৰ জৰিয়তে নাগৰিকৰ মৌলিক অধিকাৰ বলবৎ কৰা হয়। এই লেখসমূহ হ'ল — বন্দী উপস্থাপন (Habeas Corpus), পৰমাধিদেশ (Mandamus), নিষেধাজ্ঞা (Prohibition) অধিকাৰ পৃচ্ছা (Quo Warranto) আৰু উৎপ্ৰেষণ লেখ (Certiorari), উচ্চ ন্যায়ালয়েও ২২৬ নং অনুচ্ছেদৰ জৰিয়তে এই লেখসমূহ জাৰি কৰাৰ ক্ষমতা লাভ কৰিছে। উচ্চতম ন্যায়ালয়ে এই লেখসমূহ কেৱল সংবিধানৰ তৃতীয় অধ্যায়ত থকা মৌলিক অধিকাৰ বলবৎ কৰাৰ ক্ষেত্ৰত জাৰি কৰিব পাৰে আনহাতে উচ্চ ন্যায়ালয়ে মৌলিক অধিকাৰ আৰু অন্য সাধাৰণ অধিকাৰ প্ৰয়োগৰ ক্ষেত্ৰত এই লেখ জাৰি কৰিব পাৰে। গতিকে মৌলিক অধিকাৰৰ অন্তৰ্ভুক্ত গোচৰৰ ক্ষেত্ৰত উৎপীড়িত পক্ষই উচ্চ ন্যায়ালয় বা উচ্চতম ন্যায়ালয়ৰ আশ্ৰয় লৱ পাৰে। কিন্তু ৩২ নং অনুচ্ছেদ অনুসৰি উচ্চতম ন্যায়ালয়ে এই আবেদনৰ শুনানি গ্ৰহণ কৰিব যদিওবা ২২৬ নং অনুচ্ছেদ অনুসৰি উচ্চ ন্যায়ালয়ে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

- **বন্দী উপস্থাপন** (Habeas Corpus) ঃ- বন্দী উপস্থাপন অতি পুৰণি আৰু জনপ্ৰিয় লেখ। এই লেখ নিৰ্দেশৰ প্ৰকৃতিৰে জাৰি কৰা হয়, যদি কোনো ব্যক্তিক সন্দেহত আটক কৰা হয়, তেন্তে আটক হৈ থকা ব্যক্তিৰ আবেদনমৰ্মে ন্যায়ালয়ে আটক কৰা ব্যক্তিক তেওঁৰ কাৰ্য্যৰ উপযুক্ত কাৰণ দৰ্শাবলৈ নিৰ্দেশ জাৰি কৰিব পাৰে। যদি তেওঁ উপযুক্ত কাৰণ দৰ্শাবলৈ ব্যৰ্থ হয়। তেন্তে বন্দী হৈ থকা ব্যক্তিক মুক্তি দিব লাগিব। আক্ষৰিক ভাবে বন্দী উপস্থাপনে কোনো ব্যক্তিক সশৰীৰে আদালতত উপস্থিত কৰা বুজায়। ন্যায়ালয়ে এই লেখৰ জৰিয়তে আটকাধীন হৈ থকা ব্যক্তিক মুক্তি দিব লাগিব যদিহে তেওঁক ভূলবশতঃ আটক কৰি ৰখা হৈছে। ভাৰতীয় সংবিধানে আদালতক এই বন্দী উপস্থাপন লেখ জাৰি কৰাৰ উপৰিও, বন্দী উপস্থাপনৰ দৰে অন্য কিছুমান লেখ জাৰি কৰাৰ ক্ষমতা দিছে।

- **পৰমাধিদেশ** (Mandamus) ঃ- পৰমাধিদেশ অর্থ হ'ল 'আদেশ দিয়া' কোনো চৰকাৰী বিষয়াই নিজৰ কর্তব্য পালনত ব্যর্থ হ'লে বা অসমর্থ হ'লে উচ্চ ন্যায়ালয়ে নিজৰ কর্তব্য পালন কৰিবৰ বাবে এই লেখ জাৰি কৰিব পাৰে। এই লেখ যিকোনো চৰকাৰী কর্তৃত্বৰ বিপক্ষেও জাৰি কৰিব পাৰি।
- **নিষেধাজ্ঞা** (Prohibition) ঃ- ওপৰৰ আদালতে এই লেখ জাৰি কৰি তলৰ আদালতক নিজৰ এলেকাৰ ভিতৰত থাকি কার্য পালন কৰিবলৈ বাধ্য কৰিব পাৰে। এই লেখ ঋণাত্মক প্ৰকৃতিৰ। ইয়াৰ দ্বাৰা নিম্ন আদালতক নিজৰ অধিকাৰক্ষেত্ৰ অতিক্ৰম কৰি কার্য সম্পাদনত নিষেধাজ্ঞা আৰোপ কৰিছে। নিষেধাজ্ঞা কেৱল ন্যায়িক কর্তৃত্ব সম্পন্ন অধঃস্তন আদালত যেনে — আয়কৰ আয়ুক্ত, নির্বাচন আয়োগ, মূল্যাংকন সমিতি ইত্যাদিৰ বিৰুদ্ধে জাৰি কৰিব পাৰে।
- **কৈফিয়ৎ তলৰী বা অধিকাৰ পৃচ্ছা** (Quo Warranto) ঃ- কর্তৃত্ববিহীন ভাৱে কোনো ব্যক্তিয়ে কোনো দপ্তৰত কাম কৰি থাকিলে, ভোটাধিকাৰ উপভোগ কৰি কৰিলে আৰু অন্যান্য সা-সুবিধা উপভোগ কৰিলে ন্যায়ালয়ে এনে লেখৰ জৰিয়তে সেই ব্যক্তিৰ কামৰ বৈধতা বিচাৰ কৰিব পাৰে। যদিহে তেওঁ কৰা দাবী বৈধ বুলি প্ৰমানিত নহয় তেতিয়া ন্যায়ালয়ে তেওঁক উপযুক্ত জৰিমনা বিহিব। কোনো চৰকাৰী পদ দাবী কৰাৰ ক্ষেত্ৰত এই লেখ জাৰি কৰা হয়।
- **উৎপ্ৰেসণ লেখ** (Certiorari) ঃ- এই ন্যায়িক লেখৰ জৰিয়তে উচ্চ আদালতে অর্ধ যুক্তৰাষ্ট্ৰ আদালতত বিচৰাধীন হৈ থকা কোনো গোচৰ সম্বন্ধীয় নথি পত্ৰ উচ্চ আদালতলৈ প্ৰেৰণ কৰিবলৈ নির্দেশ জাৰি কৰিব পাৰে। ইয়াৰ উদ্দেশ্য হ'ল ইয়াৰ কার্য্য বিৱৰণীৰ বৈধতা নির্দ্ধাৰণ কৰা নাই বা নিম্ন আদালততকৈ অধিক ফলপ্ৰসূ পৰিনাম লাভ কৰা। উৎপ্ৰেসণ লেখৰ নীতি নিষেধাজ্ঞা লেখৰ লগত প্ৰায় একে যিহেতু দুয়োটা লেখৰ জৰিয়তে তলতীয়া (নিম্ন) আদালতৰ কার্য্যৰ পর্য্যবেক্ষণ কৰা হয়।
- **ব্যদেশ** (Injunction) ঃ- এই লেখ কার্যকৰী বিষয়াৰ বিপক্ষে জাৰি কৰা হয়। চৰকাৰী বিষয়াৰ কার্যই যাতে অন্য ব্যক্তিৰ বৈধ অধিকাৰত হস্তক্ষেপ নকৰে তাক নিয়ন্ত্ৰণ কৰিবৰ বাবে এই লেখ জাৰি কৰা হয়।
- **ক্ষতিপূৰণৰ বাবে ৰেহাই** (Suit for Damages) ঃ- উৎপীড়িত পক্ষই চৰকাৰী বিষয়াৰ বিপক্ষে তেওঁৰ প্ৰতি ভুলবশতঃ কৰাৰ ক্ষতিৰ বাবে অভিযোগ আনিব পাৰে। তেনে ধৰণৰ অভিযোগ দেৱানী আৰু ফৌজদাৰী গোচৰৰ অধিনস্থ। কিন্তু এই লেখ এজন ব্যক্তি হিচাপে বিষয়াজনৰ ক্ষেত্ৰতহে জাৰি কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ নিষেধাজ্ঞাৰ অৰ্থ লিখক।

.....

.....

প্ৰশ্ন ৪ ঃ ভাৰতবৰ্ষত উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ে জাৰি কৰা দুটা লেখ উল্লেখ কৰক।

.....

.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গনতান্ত্ৰিক প্ৰশাসনত চৰকাৰী বিষয়াৰ দায়বদ্ধতা আহৰণৰ বাবে কিছুমান সাংবিধানিক বিধান আছে। প্ৰথমতে এজন বিষয়া বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ, তাৰ পিছত কাৰ্য্যপালিকা, তাৰ পিছত ন্যায়পালিকা আৰু শেষত নাগৰিকৰ ওচৰত দায়বদ্ধ।
- প্ৰশাসনত বিধায়িনী আৰু কাৰ্যপালিকা নিয়ন্ত্ৰৰ প্ৰধান উদ্দেশ্য হৈছে চৰকাৰী নীতি আৰু ব্যয়ৰ ওপৰত নিয়ন্ত্ৰণ। আনহাতে, ন্যায়িক নিয়ন্ত্ৰণে বিষয়াসকলৰ কাৰ্য্যৰ বৈধতা আৰু নাগৰিকৰ মৌলিক অধিকাৰ আৰু অন্যান্য প্ৰয়োজনীয় অধিকাৰ সুৰক্ষিত কৰাৰ গুৰুত্ব দিয়ে।
- আইনৰ শাসন তত্ত্বৰ অৰ্থ হ'ল উচ্চ বা নিম্ন চৰকাৰী বা বেচৰকাৰী সকলো নাগৰিকে একে আইনৰ অধীন আৰু কোনো চৰকাৰী বিষয়াই ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰ উৰ্দ্ধত গৈ চৰকাৰী ক্ষমতা অপপ্ৰয়োগ কৰিব নোৱাৰে।
- প্ৰশাসনত কাৰ্যপালিকা নিয়ন্ত্ৰণৰ কেইটামান আহিলা হ'ল — ৰাজনৈতিক নিয়ন্ত্ৰণ, প্ৰৱেশ নিয়োগ ব্যৱস্থা, বাজেট ব্যৱস্থা আৰু কাৰ্যপালিকাৰ আইন প্ৰস্তুত।
- প্ৰশাসনত সংসদীয় নিয়ন্ত্ৰণৰ আহিলা কিছুমান হ'ল — আইন প্ৰস্তুত, অনুমোদন নিয়ন্ত্ৰণ বিনিয়োজন বিধেয়কৰ ওপৰত নিয়ন্ত্ৰণ হিচাপে পৰীক্ষা আৰু প্ৰতিবেদন, প্ৰশ্নোত্তৰ কাল ইত্যাদি।
- প্ৰশাসনত ন্যায়িক নিয়ন্ত্ৰণৰ কিছুমান আহিলা হ'ল লেখ, ব্যাদেশ ইত্যাদি।